**এছ্. ভেলিনয়গাম আৰু অন্যান্য**

**-বনাম-**

**লুক ষ্টেফেন আৰু আন এজন**

২৩ অক্টোবৰ, ১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি. বি. পাট্টানায়ক]

*নিষেধাজ্ঞাৰ বাবে মোকৰ্দমা- মাটিৰ এলিয়েনেচন (বিচ্ছিন্নতা) নিয়ন্ত্ৰণ- ইলাচী ৰোপণৰ বাবে গছ কটাৰ প্ৰয়োজনীয়তা- বিচাৰ আদালতে এগৰাকী এদভোকেট কমিচনাৰ (উকীল- আয়ুক্ত) নিযুক্তিৰ নিষেধাজ্ঞা দিয়ে- তেওঁৰ প্ৰতিবেদন লাভ কৰাৰ পিছত, বিচাৰ আদালতে ইলাচী ৰোপণৰ নিৰৱচ্ছিন্ন খেতি কৰাৰ বাবে প্ৰয়োজনীয় সংখ্যক গছ কাটিবলৈ, লগতে কীট-পতংগৰ দ্বাৰা প্ৰভাৱিত উদ্ভিদবোৰ ৰোপণ-সংক্ৰমণৰ পৰা মুক্ত কৰি ৰখাৰ বাবে নিষেধাজ্ঞা জাৰি কৰিবলৈ নিৰ্দেশনা দিয়ে।*

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ**-দেৱানী আপীল নং ১৪৫৫১-১৯৯৬।

কেৰালা উচ্চ ন্যায়ালয়ৰ ১৯৯৬ চনৰ চি. এম. এ. (দেৱানী বিবিধ আপীল) নং ৬৮-ৰ ১০-০৪-৯৬তাৰিখৰ ৰায় আৰু আদেশৰ ভিত্তিত।

আবেদনকাৰীৰ পক্ষত এ. সুব্বা ৰাও আৰু এ. ডি. এন. ৰাও।

উত্তৰদাতাৰ পক্ষত টি. এল. ভি. আয়াৰ আৰু এম. কে. ডি. নাম্বুদিৰি।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

অনুমতি দিয়া হৈছে।

আমি দুয়ো পক্ষৰ বিদ্বান পৰামৰ্শদাতা যুক্তি শুনোহঁক।

১৯৯৬চনৰ ১০এপ্ৰিল তাৰিখৰ কেৰালা উচ্চ ন্যায়ালয়ৰ চি. এম. এ.-ত দিয়া আদেশৰ পৰা বিশেষ অনুমতিৰ জৰিয়তে এই আবেদনৰ উত্থাপন হয়। এই আদালতে ১৯৯৬চনৰ ৩০জুলাইৰ জাননীত তলত উল্লেখ কৰা ধৰণে কৈছিলঃ

> "আবেদনকাৰীৰ পক্ষত বিদ্বান পৰামৰ্শদাতা শ্ৰীযুত সুব্বা ৰাওৱে কয় যে, তেওঁ আবেদনকাৰীক এলিয়েনেটিং অওৰ ইনদাক্টিং ঠাৰ্ড পাৰ্টি(বিচ্ছিন্ন কৰা বা তৃতীয় পক্ষৰ দখল)-ৰ অন্তৰ্ভুক্ত কৰাৰ পৰা এলিয়েনেচন(বিচ্ছিন্নতা) কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা সন্দৰ্ভত কোনো আপত্তি নাই। তেওঁ কয় যে, তেওঁৰ মক্কেলে ইলাচীৰ খেতি কৰি আছে। কিছুমান গছ নাকাটিলে বা আঁতৰ নকৰিলে ইলাচীৰ খেতি কৰাটো সম্ভৱ নহ'ব। কেৱল সেই পৰ্য্যন্ত পৰৱৰ্তী কোনো আৰোপিত চৰ্ত সাপেক্ষে, নিষেধাজ্ঞা মোচন কৰিব পাৰি বা উপযুক্তভাৱে পৰিৱৰ্তন কৰিব পাৰি। আমি এই সীমিত বিষয়ৰ এই পৰ্যায়লৈ যোৱাৰ প্ৰস্তাৱ দিয়া নাই।"

এই অনুসৰি, আপীলকাৰীয়ে ইলাচীৰ খেতি লাভ কৰিছে বুলি প্ৰকাশ কৰি উত্তৰদাতাই এক কাউন্টাৰ এফিদেফিত(প্ৰতি-হলফনামা) দাখিল কৰিছে। তেওঁ সমগ্ৰ শ্ৰমিক শক্তিক ভংগ কৰিছিল। কেৱল দুজন ব্যক্তিক বাগানৰ দায়িত্বত ৰখা হয় আৰু

সেয়েহে, কোনো গছ কাটি আঁতৰোৱাৰ প্ৰয়োজন নাই। আপীলকাৰী পৰামৰ্শদাতা শ্ৰীসুব্বা ৰাওৱে কয় যে, আবেদনকাৰীয়ে ইলাচী ৰোপণ অব্যাহত ৰাখিছে। ইলাচীৰ খেতিত বাধা হিচাপে দেখা দিয়া গছবোৰ কাটিব লাগিব; একেদৰে, সংক্ৰমণ-মুক্ত পৰিৱেশ বৰ্তাই ৰাখিবলৈ ৰোগত আক্ৰান্ত গছবোৰ কাটিব লাগিব। এই পৰিস্থিতিত, গছবোৰ কাটিবলৈ অনুমতি দিয়াটো প্ৰয়োজনীয়। প্ৰতিবাদীৰ জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰীবিশ্বনাথ আয়াৰে কয় যে, যিহেতু ইলাচীৰ খেতি কেৱল বাৰিষা ঋতুতহে কৰিব লাগে, অৰ্থাৎ জুন, জুলাই বা মাৰ্চ আৰু এপ্ৰিল, তাৰোপৰি প্ৰথম ঋতু এতিয়াও আৰম্ভ হোৱা নাই, লগতে যিহেতু বৰ্তমান কোনো শস্য নাই, সেয়েহে গছ কটাৰ প্ৰয়োজন নাই। অভিযোগ আৰু প্ৰত্যাৰোপণৰ প্ৰতি লক্ষ্য ৰাখি আমি বিষয়টো স্থিৰ কৰিব নোৱাৰোঁ। এই পৰিস্থিতিত, বিচাৰ আদালতক পক্ষসমূহক জাননী দিয়াৰ পিছত ব্যক্তিগতভাৱে পৰীক্ষা কৰিবলৈ আৰু আপীলকাৰীয়ে ইলাচীৰ খেতি কৰিছে নে নাই আৰু যদি কৰিছে তেন্তে কিমান পৰিমাণে মাটিৰ খেতি কৰা হৈছে তাৰ প্ৰতিবেদন দাখিল কৰিবলৈ এগৰাকী এদভোকেট কমিচনাৰ (উকীল আয়ুক্ত) নিযুক্তি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আয়ুক্তৰ পৰা প্ৰতিবেদন প্ৰাপ্ত হোৱাৰ পিছত ইলাচী খেতিৰ ফৈচলা হৈছে বুলি গম পোৱাৰ লগে লগে, নিৰবিচ্ছিন্নভাৱে ইলাচীৰ খেতিত লগত সংগতি ৰাখি কীট-পতংগৰ দ্বাৰা প্ৰভাৱিত হোৱা গছ-গছনিবোৰ কাটিবলৈ প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিব লাগে যাতে খেতি সংক্ৰমণৰ পৰা মুক্ত হৈ থাকে। আবেদনকাৰীয়ে কৃষি ঋণ ল'ব লাগিব। তেওঁ বেংক আদিৰ পৰাও কৃষি ঋণ লাভ কৰিব পাৰিছিল। পিছত ১৯৯৬চনৰ

ডিচেম্বৰৰ ভিতৰত বিচাৰ আদালতক মোকৰ্দমা নিষ্পত্তি কৰিবলৈ নিৰ্দেশ দিছে।

সেই অনুসৰি আপীল আবেদনখন নিষ্পত্তি কৰা হয়। আপীলকাৰীক লগে লগে এজন আয়ুক্ত নিযুক্তিৰ আবেদনৰ সৈতে দেৱানী আদালতত আবেদন কৰিবলৈ নিৰ্দেশ দিয়া হয়। মোকৰ্দমা নিষ্পত্তিৰ বাবে উচ্চ ন্যায়ালয় দিয়া নিৰ্দেশনা সমৰ্থন কৰা হৈছে। ব্যয় অবিহনে।

জি. এন.

আপীল নিষ্পত্তি কৰা হয়।

.......................................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু

বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

. . . . . . . . . . . . . . . . . . . .